**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 03-07-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::**

১। ইছলামাবাদে সীমান্তৰ সীপাৰৰ উগ্ৰপন্থী কাৰ্যকলাপ যেতিয়ালৈকে বন্ধ নকৰে তেতিয়ালৈকে সিন্ধু জল চুক্তি স্থগিত থাকিব বুলি কেন্দ্ৰীয় চৰকাৰে স্পষ্ট কৰি দিছে।

২। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিযুষ গোৱেলে কৈছে যে ভাৰতে চলিত বছৰত ১ ত্ৰিলিয়ন ডলাৰ মূল্যৰ সামগ্ৰী ৰপ্তানিৰ লক্ষ্য হৈছে।

৩। নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই আজি কহিমাত থকা মুখ্যমন্ত্ৰীৰ আৱাসীক চৌহদত ১৬ টা ক্ৰীড়া আন্তঃগাথনি প্ৰকল্প ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে।

৪। ভেনিজুৱেলাত ভূমিকম্পৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২ হেজাৰ ৫৯৫ জনলৈ বৃদ্ধি পাইছে। ***আৰু***

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১১ বজাত হ'বলগীয়া এখন খেলত অষ্ট্ৰেলিয়াই-ইজিপ্তৰ বিৰুদ্ধে আৰু পুৱতি নিশা চাৰে ৩ বজাত আৰ্জেণ্টিনা, কেপ ভাৰ্ডেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ইছলামাবাদে সীমান্তৰ সীপাৰৰ উগ্ৰপন্থী কাৰ্যকলাপ যেতিয়ালৈকে বন্ধ নকৰে তেতিয়ালৈকে সিন্ধু জল চুক্তি স্থগিত থাকিব বুলি কেন্দ্ৰীয় চৰকাৰে স্পষ্ট কৰি দিছে। নতুন দিল্লীত সংবাদমাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে সিন্ধু জলচুক্তিৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি একে আছে।–

তিস্তা নদীৰ উমৈহতীয়া ব্যৱস্থাপনা আৰু পুনৰ উদ্ধাৰ আঁচনি সন্দৰ্ভত শ্ৰীজয়ছোৱালে কয় যে বাংলাদেশত ভাৰতৰ উন্নয়ন প্ৰকল্পসমূহ উভয় দেশৰ উমৈহতীয়া সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি ৰূপায়ণত গুৰুত্ব দিয়া হৈছে আৰু সময়ে সময়ে এই প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যবেক্ষণ কৰি থকা হৈছে। তেওঁ কয় যে ভাৰতে তিস্তা নৈ ব্যৱস্থাপনা সন্দৰ্ভত নিজৰ স্থিতি পূৰ্বেই বাংলাদেশক অৱগত কৰিছে।

**বাইট - ৰণধীৰ জয়ছোৱাল**

বাংলাদেশৰ সীমাৰ ভিতৰত তিস্তা নৈ আঁচনি ৰূপায়ণৰ বাবে ইতিমধ্যে সবিশেষ প্ৰেৰণ কৰা হৈছে। তেওঁ কয়, যে তিস্তা নৈৰ লগত জড়িত সকলো সমস্যা সমাধানৰ বাবে ভাৰত সাজু আছে। ভেনিজুৱেলাৰ পৰা ভাৰতলৈ লৈ অহা এগৰাকী ভাৰতীয় নাৱিকৰ শৰীৰৰ পৰা এটা গুৰুত্বপূৰ্ণ অংগ নোহোৱা হোৱাৰ সন্দৰ্ভত বিদেশ মন্ত্ৰালয়ে কয় যে ভাৰতে এই বিষয়টো ভেনিজুৱেলা চৰকাৰক অৱগত কৰিছে। ভাৰতে ভেনিজুৱেলা চৰকাৰক এই বিষয়টোৰ এটা নিৰপেক্ষ অনুসন্ধান কৰাৰ বাবে অনুৰোধ জনাইছে বুলিও মন্ত্ৰালয়ে জানিবলৈ দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা সোমবাৰে ছদিনীয়া ভ্ৰমণসূচীৰে ইন্দোনেচিয়া, অষ্ট্ৰেলিয়া, নিউজিলেণ্ডলৈ যাব। নতুন দিল্লীত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব ৰুদ্ৰেন্দ্ৰ টেণ্ডনে কয়, যে শ্ৰীমোদীয়ে ৬ জুলাইৰ পৰা ৮ জুলাইলৈ ইন্দোনেচিয়াত থাকিব। এই সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে জাকাৰ্টাত বিভিন্ন কাৰ্যসূচীত ভাগ লোৱাৰ লগতে সাংস্কৃতিক আৰু ঐতিহাসিক চহৰ যঞ্জকৰ্তালৈ যাব। তেওঁ কয় যে ইন্দোনেচিয়া ভ্ৰমণৰ সময়চোৱাত দেশ দুখনৰ মাজত পাৰস্পৰিক দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা হোৱাৰ সম্ভাৱনা আছে। সচিব শ্ৰীটেণ্ডনে কয যে ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী ৮ জুলাইৰ পৰা ১০ জুলাই অষ্ট্ৰেলিয়ালৈ যাব। অষ্ট্ৰেলিয়াৰ মেলবৰ্ণত প্ৰধানমন্ত্ৰী ভাৰত -অষ্ট্ৰেলিয়া বাৰ্ষিক সন্মিলনত ভাগ লব। সন্মিলনত খনি, চাইবাৰ সুৰক্ষা, আধুনিক প্ৰযুক্তি আদি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ত্ৰিদেশীয় ভ্ৰমণৰ শেষ পৰ্যায়ত ১০ আৰু ১১ জুলাইত প্ৰধানমন্ত্ৰী নিউজিলেণ্ডত উপস্থিত হ'ব। শ্ৰী মোদী নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টফাৰ লুকচনৰ সৈতে বৈঠকত মিলিত হ'ব। সচিবগৰাকীয়ে কয় যে বিগত ৪০ বছৰত শ্ৰীমোদী হ'ব নিউজিলেণ্ড ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিযুষ গোৱেলে কৈছে যে ভাৰতে চলিত বছৰত ১ ত্ৰিলিয়ন ডলাৰ মূল্যৰ সামগ্ৰী ৰপ্তানিৰ লক্ষ্য হৈছে। বছৰৰ প্ৰথম ৩টা মাহত প্ৰায় ১৫ শতাংশ বাৰ্ষিক ৰপ্তানি ইতিমধ্যে হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট-গোৱেল**

নতুন দিল্লীত উদ্যোগীসকলৰ সৈতে হোৱা এখন বৈঠকত শ্ৰীগোৱেলে কয় যে কেন্দ্ৰীয় চৰকাৰে দেশৰ ৰপ্তানী ব্যৱস্থা অধিক উন্নত কৰি তুলিছে য'ত প্ৰতিখন ৰাজ্য, জিলা, আৰু ঔদ্যোগিক গোটে সমান গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে। তেওঁ কয়, যে দেশৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ, মজলীয়া আৰু বৃহৎ উদ্যোগসমূহেও যাতে দেশত ৰপ্তানি ব্যৱস্থাৰ জৰিয়তে লাভান্বিত হয় সেইটো সুনিশ্চিত কৰাৰ বাবে প্ৰয়াস অব্যাহত আছে। শ্ৰীগোৱেলে কয় যে প্ৰতিখন জিলাকে ৰপ্তানীৰ হাব হিচাপে গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। তেওঁ কয় যে ৰপ্তানী ব্যৱস্থাটো সহজ কৰি তোলাৰ বাবে চৰকাৰে ব্যৱসায়িক লেনদেন সহজ কৰি তোলাৰ লগতে ব্যৱসায়িক সূচলতা যথেষ্ট উন্নত হৈছে। তেঁও কয় যে ৰপ্তানীক উদগণি যোগোৱা এই ব্যৱস্থাই বিদেশতো ব্যৱসায় বাণিজ্য সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব। শ্ৰীগোৱেলে লগতে কয় যে ৩৮ খন বিকশিত ৰাষ্ট্ৰৰ সৈতে হোৱা মুক্ত বাণিজ্য চুক্তিয়ে ভাৰতীয় ৰপ্তানী ব্যৱস্থাক শক্তিশালী কৰি তোলাৰ লগতে বিশ্ব বজাৰত নিজৰ স্থান দখল কৰাৰ ক্ষেত্ৰত ভাৰতৰ ব্যৱসায়ীসকলক নতুন সুযোগ প্ৰদান কৰিব।

ooooo

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি নতুন দিল্লীত ষোড়শ বিত্ত আয়োগৰ পৰামৰ্শসমূহ সন্দৰ্ভত ৰাজ্যৰ পঞ্চায়ত মন্ত্ৰীসকলৰ এখন ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰে। মন্ত্ৰালয়ে জানিবলৈ দিছে যে ষোড়শ বিত্তীয় আয়োগৰ অধীনত মন্ত্ৰালয়ে গ্ৰাম্যাঞ্চলৰ নিকায়সমূহৰ বাবে ৪ লাখ ৩৫ হাজাৰ ২৩৬ কোটি টকাৰ অনুমোদন জনাইছে। এই পৰিমাণ পঞ্চদশ বিত্ত আয়োগৰ অধীনত বিগত ৫ বছৰত অনুমোদন জনোৱা পুঁজিতকৈ প্ৰায় ৮৪ শতাংশ বৃদ্ধি হৈছে। মন্ত্ৰালয়ে লগতে জানিবলৈ দিছে যে দেশ বিকশিত ভাৰতৰ সপোনক বাস্তৱায়িত কৰাৰ দিশে দ্ৰুত গতিত অগ্ৰসৰ

হৈছে। সেয়েহে, বিত্তীয়ভাৱে সৱল, ডিজিটেল দক্ষতা সম্পন্ন পঞ্চায়ত ব্যৱস্থাই সৰ্বাত্মক আৰু দীৰ্ঘস্থায়ী বিকাশৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে যোড়শ বিত্তীয় আয়োগে পঞ্চায়তৰ বাবে ৮০ শতাংশ প্ৰাথমিক অনুদানৰ প্ৰস্তাৱ দিছে আৰু কাম-কাজৰ দক্ষতা ভিত্তিক ২০ শতাংশ অনুদানৰ প্ৰস্তাৱ আগবঢ়াইছে। শ্ৰীসিঙে জানিবলৈ দিয়ে যে এই কৰ্মশালাৰ জৰিয়তে ৰাজ্য চৰকাৰসমূহক আয়োগৰ ব্যৱস্থাসমূহ সফলভাৱে ৰূপায়ণ কৰাৰ বাবে বিভিন্ন নিৰ্দেশনা প্ৰদান কৰা হৈছে। যোড়শ বিত্তীয় আয়োগৰ অধীনত ২ লাখ ৭৬ হাজাৰ গ্ৰাম্য স্থানীয় নিকায়ক সামৰি লোৱা হৈছে বুলি পঞ্চায়তীৰাজ মন্ত্ৰালয়ে জানিবলৈ দিছে।

ooooo

নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই আজি কহিমাত থকা মুখ্যমন্ত্ৰীৰ আৱাসীক চৌহদত ১৬ টা ক্ৰীড়া আন্তঃগাথনি প্ৰকল্প ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে। এই প্ৰকল্পসমূহৰ ৪ টা প্ৰকল্প খেলো ইণ্ডিয়া কাৰ্যসূচীৰ অধীনৰ আৰু ১২ টা প্ৰকল্প ৰাজ্য চৰকাৰৰ আৱণ্টিত পুঁজিৰে ৰূপায়ণ কৰা হৈছে। অনুষ্ঠানত ৰাজ্যখনৰ উপ মুখ্যমন্ত্ৰী ৱাই পেট্টন আৰু টি আৰ জেলিয়াং, পৰামৰ্শদাতা, জ্যেষ্ঠ ৰাজ্যিক বিষয়ববীয়াসকল উপস্থিত থাকে। কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী মনসুখ মন্দাভিয়াই ভাৰ্চুৱেল ব্যৱস্থাৰে এই কাৰ্যসূচীত ভাগ লয়। সামাজিক মাধ্যম এক্সত দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই দেশৰ যুৱ প্ৰজন্ম আৰু ক্ৰীড়া ক্ষেত্ৰৰ বাবে গ্ৰহণ কৰা সুদূৰপ্ৰসাৰী দৃষ্টিভংগীৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে বৰ্তমান ভাৰত ক্ৰীড়াৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যথেষ্ট আগবাঢ়িছে। তেওঁ কয় যে নাগালেণ্ডৰ যুৱক-যুৱতীসকলৰ বাবে এই ক্ৰীড়া আন্তঃগাথনিয়ে নতুন সুযোগৰ সৃষ্টি কৰিব।

ooooo

ভেনিজুৱেলাত ভূমিকম্পৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২ হেজাৰ ৫৯৫ জনলৈ বৃদ্ধি পাইছে। এই ভূমিকম্পত ১২ হাজাৰ লোক আহত হৈছে আৰু বহু লোক এতিয়াও সন্ধানহীন হৈ আছে। ৰাষ্ট্ৰপতি ডেলচি ৰ'দ্ৰিগেজে দেশখনত ৭ দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। উল্লেখযোগ্য যে যোৱা সপ্তাহত দেশখনৰ উত্তৰ কাৰাকাচত হোৱা ৭ দশমিক ৫ আৰু ৭ দশমিক ২ প্ৰাবল্যৰ ভূমিকম্পই দেশখনলৈ দুৰ্যোগ নমাই আনিছে। প্ৰশাসনে কৈছে যে বহু লোক এতিয়াও সন্ধানহীন হৈ আছে আৰু তেওঁলোকৰ উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে।

ooooo

কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেঞ্চন দপ্তৰৰ মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে আজি কয় যে কেন্দ্ৰীয় চৰকাৰে প্ৰতিগৰাকী ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহৰ সামৰ্থ বৃদ্ধি কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। এই প্ৰতিষ্ঠানসমূহ আৰু বৃত্তিধাৰীসকলে তেওঁলোকৰ সামৰ্থ আৰু দক্ষতাৰে দেশৰ প্ৰাথমিক লক্ষ্যত অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত আগুৱাই গৈছে। মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত অভিলাসী জ্ঞান, উত্তৰাধিকাৰ, সফলতা আৰু সম্প্ৰীতি -চমুকৈ **দক্ষচ্**ৰ তৃতীয়টো গোটৰ বৈঠকত এই কথা প্ৰকাশ কৰে।

ooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১১ বজাত হ'বলগীয়া এখন খেলত অষ্ট্ৰেলিয়াই-ইজিপ্তৰ বিৰুদ্ধে আৰু পুৱতি নিশা চাৰে ৩ বজাত আৰ্জেণ্টিনা, কেপ ভাৰ্ডেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্য যে ছুইজাৰলেণ্ড, স্পেইন আৰু পৰ্টুগাল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছুইজাৰলেণ্ডে আজি পুৱা চাৰে ৮ বজাত কানাডাত অনুষ্ঠিত নকআউট পৰ্যায়ৰ এখন খেলত আলজেৰিয়াক ২-০ গ'লত পৰাজিত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। এন্দ্বলোৱে খেলখনৰ ১০ মিনিটত গ'ল দি ছুইজাৰলেণ্ডক অগ্ৰগতি প্ৰদান কৰে। খেলখনৰ দ্বিতীয়াৰ্ধৰ ১ মিনিট পাছত ন্‌দ্ৰে দ্বিতীয়টো গ'ল দি দলক শক্তিশালী স্থিতিত উপনীত কৰে। মঙলবাৰে হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

একেদৰে, পৰ্টুগালে আজি পুৱা অনুষ্ঠিত নক আউট পৰ্যায়ৰ আন এখন খেলত ক্ৰ'ৱেছিয়াক ২-১ গ'লত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। মঙলবাৰে ডালাছত হ'বলগীয়া প্ৰি কোৱাৰ্টাৰ ফাইনেলত দলটো স্পেইনৰ সন্মুখীন হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ